# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-08-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত কেইবাটাও নতুন প্ৰকল্প স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ ।

২। বিগত দশকটোত ৰাজ্যৰ অৰ্থনীতি তিনিগুণ বৃদ্ধি হোৱা মুখ্যমন্ত্ৰীৰ দাবী।

৩। ৰাজ্যত লোকপিয়লৰ স্ব-গণনা প্ৰক্ৰিয়াৰ আজি সামৰণি। কাইলৈ লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ প্ৰক্ৰিয়া আৰম্ভ।

৪। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বাৰ্ষিকীত আজি দেশজুৰি নেতাগৰাকীক স্মৰণ।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আজি এছ চি দিল্লী মণিপুৰৰ এফ চি ৰেংদাই আৰু ইষ্ট বেংগল এফ চি সেনাবাহিনীৰ ফুটবল দলৰ সন্মুখীন।

0000000

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কেইবাটাও নতুন প্ৰকল্প স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। চিকিৎসা মহাবিদ্যালখনত দুহেজাৰ ৫০০ কোটি টকাৰ এটা নতুন প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। নৰকাসুৰ পাহাৰৰ পৰা চিকিৎসা মহাবিদ্যালয়খন নামনি অংশত থকা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ ওচৰলৈ স্থানান্তৰিত কৰাৰ নতুন পৰিকল্পনা কৰা হৈছে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে মহাবিদ্যালয়খনত চিকিৎসাধীন হৈ থকা বৰ্ষীয়ান ৰাজনীতিবিদ হেমেন দাসৰ স্বাস্থ্যৰ বুজ লৈ তেওঁৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

*বাইট (চি এম)*

0000000

ৰাজ্যৰ আন্তঃগাঁথনি খণ্ডত পৰৱৰ্তী ৫ বছৰত ডেৰ লাখ কোটি টকাৰ বৃহৎ বিনিয়োগ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি গুৱাহাটীৰ খানাপাৰাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ডঃ শৰ্মাই কয় যে, অহা ৫ বছৰত ৰাজহুৱা পথ আন্তগাঁথনি উন্নীতকৰণ, চৰকাৰী বিদ্যালয়, নগৰীয়া কেন্দ্ৰ আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নীত

কৰাৰ লক্ষ্য লোৱা হৈছে। বিগত দশকটোত ৰাজ্যৰ অৰ্থনীতি ৩ গুণ বৃদ্ধি হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

তেওঁ শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰভাৱিত প্ৰতিগৰাকী লোকৰ পুনৰ সংস্থাপন আৰু জিলা চাৰিখনৰ হেৰুওৱা স্বাভাৱিক ছন্দ ওভোতাই অনাৰ বাবে চৰকাৰে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি প্ৰকাশ কৰে। ডঃ শৰ্মাই কয়, যে বানবিধ্বস্ত প্ৰতিটো পৰিয়ালক চৰকাৰে আগবঢ়াই নিব। তেওঁ বান প্ৰভাৱিত লোকসকলক গৃহ ঋণ, শিক্ষা ঋণ, যানবাহন ঋণৰ কিস্তি পৰিশোধৰ ক্ষেত্ৰত ছমাহলৈ সকাহ দিয়াৰ কথাও উল্লেখ কৰে। বান ক্ষতিগ্ৰস্ত লোকসকলে এবছৰলৈ মাটিৰ খাজনা দিব নালাগে বুলি তেওঁ কয়।

ৰাজ্যত বাল্য বিবাহ সম্পৰ্কীয় ১২ হাজাৰ ১৯৪টা গোচৰ  ৰুজু হোৱা বুলি উল্লেখ কৰি ডঃ শৰ্মাই পহিলা নৱেম্বৰৰ পৰা এমাহৰ বাবে বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আপোচবিহীন অভিযান চলাব বুলি জানিবলৈ দিয়ে।

তেওঁ কমলপুৰ, বঢ়মপুৰ, ৰঙানদী, চিচিবৰগাঁও, খুমটাই, বৰখলা, চাবুৱা আৰু লাহোৱাল- এই ৮ খন নতুন সমজিলা গঠনৰ কথা ঘোষণা কৰে। ডঃ শৰ্মাই কয়, যে চৰকাৰে পৰৱৰ্তী ৫ বছৰত চাৰে ৩ লাখ চাহ শ্ৰমিকক পৰিয়াললৈ আইনী মালিকীস্বত্বৰ অধিকাৰ প্ৰদানৰ বাবে কাম কৰিব। ৰাজ্যৰ ৪০টা ৰাজহ চক্ৰত ৩ প্ৰজন্ম ধৰি বাস কৰা লোকেহে ভূমি কিনা-বেচা কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থাই থলুৱা লোকৰ অধিকাৰ সুদৃঢ় আৰু ভূমি অধিকাৰ সুৰক্ষিত কৰিব। ডিচেম্বৰত  মিছন বসুন্ধৰাৰ চতুৰ্থ পৰ্যায় আৰম্ভ হ'ব বুলিও তেওঁ সদৰী কৰে।

০০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে কালি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। নাগালেণ্ডৰ কোহিমাত থকা ৰাজ্যখনৰ সচিবালয়ত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে স্বাধীনতা যুঁজৰ সেনানিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে। ভাৰতে গণতান্ত্ৰিক, শক্তিশালী, সমৃদ্ধিশালী আৰু প্ৰগতিশীল ৰাষ্ট্ৰ হিচাপে গঢ় লোৱাৰ দিশত সমন্বিত প্ৰচেষ্টা গ্ৰহণৰ বাবে তেওঁ জনসাধাৰণক আহ্বান জনায়। সাম্প্ৰতিক সময়ত বাৰিষা অহা ভূমিস্খলন আৰু মন জিলাত আকস্মিক বানৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বানত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এটা আন্তঃ মন্ত্ৰালয় দলে সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়াৰ বুজ ল'বলৈ ৰাজ্যখন ভ্ৰমণ কৰিছে।

মিজোৰামতো কালি স্বাধীনতা দিৱসৰ কাৰ্যসূচী উলহ-মালহেৰে আয়োজন কৰা হয়। আইজলত আয়োজিত কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মুখ্যমন্ত্ৰী লালডুৱ'মাই এখন আত্মনিৰ্ভৰ আৰু উন্নত মিজোৰাম গঢ়াৰ বাবে প্ৰয়াস চলাবলৈ সকলোকে আহ্বান জনায়।

ত্ৰিপুৰাতো কালি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে ৰাজ্যপাল ইন্দ্ৰ সেনা ৰেড্ডি নাল্লুৰে দেশৰ স্বাধীনতা যুঁজৰ সেনানিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ কালি পুৱাৰ ভাগত আগৰতলাৰ এলবাৰ্ট এক্কা স্মাৰক উদ্যান, গান্ধীঘাট আৰু আৰৱৰ্ত ভৱনত ছহিদৰ স্মৃতিত পুষ্পাৰ্ঘ্য তৰ্পণ কৰে।

তদুপৰি ৰাজ্যখনৰ মহাৰাজা বীৰ বিক্ৰম মহাবিদ্যালয়ত স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত সংগীতানুষ্ঠানত এহেজাৰ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বন্দে মাতৰম পৰিৱেশন কৰে।

মণিপুৰৰ পশ্চিম ইম্ফলৰ প্ৰথম মণিপুৰ ৰাইফলছৰ পেৰেড গ্ৰাউণ্ডত আয়োজিত দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী য়ুমনাম খেমছাণ্ড সিঙে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ভাষণ দিয়ে। তেওঁ বিকশিত ভাৰত দৃষ্টিভংগীৰ অধীনত ৰাজ্যখনে গ্ৰহণ কৰা উন্নয়নমূলক প্ৰকল্পসমূহৰ বিষয়ে প্ৰকাশ কৰে। মেঘালয়ৰ ৰাজ্যপাল চি এইচ বিজয় শংকৰে কালি লোকভৱনত আয়োজিত স্বাধীনতা দিৱসৰ চৰকাৰী অভ্যৰ্থনা কাৰ্যসূচীৰ আতিথ্য কৰে।

অৰুণাচল প্ৰদেশ আৰু ছিকিমতো  দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি কালি লোকভৱনত at Home শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে।  অসম আৰক্ষীৰ বেণ্ড, ৫৮ জি টি চি, শ্বিলঙৰ পাইপাৰ্ছ বেণ্ড আৰু গুৱাহাটীৰ ছেইণ্ট মেৰিজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে মনোমোহা পৰিৱেশনেৰে এই অনুষ্ঠান মুখৰ কৰি তোলে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই স্বাধীনতাৰ ৮০ বছৰত গৌৰৱময় ক্ষণত ঐক্য, দেশপ্ৰেম আৰু ভাৰতৰ চিৰন্তন চেতনাৰে উদ্ভাষিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্যত যোৱা ২ আগষ্টৰ পৰা চলি থকা লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ স্ব-গণনা প্ৰক্ৰিয়া আজি সামৰণি পৰিব। কাইলৈ লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ প্ৰক্ৰিয়াত চৰকাৰীভাৱে নিয়োগ কৰা গণনাকাৰীসকলে স্ব-গণনাৰ তথ্যসমূহ পৰীক্ষাৰ বাবে প্ৰতিটো বাসগৃহত উপস্থিত হ'ব। জনসাধাৰণে আজি মাজনিশা পৰ্যন্ত SE.CENSUS.GOV.IN  পৰ্টেলত নিজৰ ম'বাইল নম্বৰ ব্যৱহাৰ কৰি অটিপিৰ জৰিয়তে লগ ইন কৰিব পাৰিব। আজি মাজনিশা পৰ্যন্ত খোলা থকা এই পৰ্টেলত অসমীয়া, ইংৰাজীকে ধৰি ১৪ টা ভাষাত নাগৰিকসকলে তথ্য পূৰণ কৰিব পাৰে। ইয়াৰ বাবে ডিজিটেল মানচিত্ৰত নিজৰ গৃহৰ অৱস্থান চিহ্নিত কৰিব পাৰিব। এই তথ্য দাখিলৰ পাছত লাভ কৰা স্ব-গণনা পৰিচয় পৰৱৰ্তী সময়ত অৰ্থাৎ কাইলৈৰ পৰা গণনাকাৰী বিষয়াসকলক প্ৰদান কৰিব লাগিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ভাষণ দি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই লোকপিয়ল প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়—

### *বাইট (চি এম)*

কেন্দ্ৰীয় চৰকাৰে এইবাৰৰ লোকপিয়লৰ বাবে ৪০টা প্ৰশ্ন নিৰ্ধাৰণ কৰিছে। এই প্ৰশ্নসমূহৰ ভিতৰত অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ মৰ্যাদাকে ধৰি জাতি সম্পৰ্কীয় প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা আছিল প্ৰায় ৩ কোটি ১২ লাখ। চৰকাৰী সূত্ৰ অনুসৰি জনসংখ্যাৰ ১ কোটি ৫৯ লাখৰো অধিক পুৰুষ আৰু ১ কোটি ৫২ লাখৰো অধিক মহিলা।

০০০০০০০

ঐতিহাসিক অসম চুক্তি সম্পাদিত হোৱাৰ ৪১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সদৌ অসম ছাত্ৰ সন্থাই কালি লতাশিল খেল পথাৰত আয়োজিত এটা কাৰ্যসূচীত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰে। কাৰ্যসূচীত ভাগ লৈ সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে পালন কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দাবী জনায়।

*-বাইট (সমুজ্জ্বল)*

ইপিনে, অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই চুক্তিখনৰ অসম্পূৰ্ণ দফাসমূহ ত্বৎপৰতাৰে ৰূপায়ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে আন্তৰিকতা আৰু দায়বদ্ধতাৰে কাম কৰি যাব বুলি মন্তব্য কৰিছে। অসম চুক্তিৰ ৪১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ জাতীয় স্বাৰ্থ, সাংস্কৃতিক স্বকীয়তা আৰু জনগণৰ ন্যায্য অধিকাৰ সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত থাকিব। তেওঁ লগতে অসম চুক্তিৰ চেতনাক অধিক শক্তিশালী কৰি সুৰক্ষিত, সমৃদ্ধিশালী আৰু উন্নত অসম গঢ়াৰ সংকল্প গ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নেতাগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। তিনিবাৰ প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰা অটল বিহাৰী বাজপেয়ীয়ে ২০১৮ চনৰ আজিৰ দিনটোতে শেষনিশ্বাস ত্যাগ কৰিছিল। মৃত্যু বাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধি সদৈৱঃ অটলত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দ, ৰাজ্যসভাৰ উপ সভাপতি হৰিৱংশ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিৱেদন কৰে।

০০০০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি ৰাঁচীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত এছ চি দিল্লী মণিপুৰৰ এফ চি ৰেংদাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত আৰম্ভ হ'ব। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত আজি সন্ধিয়া ৭ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আই এছ্ এলৰ ছেম্পিয়ন ইষ্ট বেংগল এফ চি সেনাবাহিনীৰ ফুটবল দলৰ সন্মুখীন হ'ব। কাইলৈ হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত মোহন বাগান জামছেদপুৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদিনাই সন্ধিয়া ৭ বজাত শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এফ চিৰ সন্মুখীন হ'ব।

০০০০০০০

ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে গালে টেষ্টৰ আজি দ্বিতীয় দিনা ২ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৮৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। প্ৰথম দিনৰ খেলৰ সমাপ্তিৰ পৰত কালি দেৱদত্ত পডিক্কলে ১৩১ আৰু ঋষভ পন্টে ২৭ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে কে এল ৰাহুলে ৭৭ ৰান কৰা অৱস্থাত

আঘাতৰ বাবে ইনিংছ আধৰুৱা ৰাখি স্বেচ্ছাই পেভিলিয়নলৈ উভতি যায়। ইয়াৰ আগয়ে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়।

0000000

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সমষ্টিৰ বেদেতী ক্ৰীড়া সন্থাৰ উদ্যোগত তৃতীয় বাৰ্ষিক বেদা গঞ্জু আৰু জৰ্জ শীল সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা কালিৰে পৰা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ আঠটা দলে অংশগ্ৰহণ কৰে। কালি প্ৰতিযোগিতাৰ প্ৰথমখন খেলত তেজপুৰ এফ চিয়ে বিহালী এফ চি দলক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ পৰৱৰ্তী খেলসমূহত ওদালগুৰি, লখিমপুৰ, ঢেকীয়াজুলিৰ দৰে আগশাৰীৰ দলসমূহে অংশগ্ৰহণ কৰিব।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**